**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-04-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## ***HEADLINES***

১। লোকসভাৰ অধিৱেশন আজিৰে পৰা অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংসদৰ উভয় সদনত ৱক্‌ফ সংশোধনী বিধেয়ক আৰু মুছলমান ৱক্‌ফ বাতিলকৰণ বিধেয়ক গৃহীত হোৱাটো ঐতিহাসিক বুলি মত প্ৰকাশ কৰিছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আন্তৰ্জাতিক কল্যাণ ত্বৰান্বিত কৰাৰ হকে বিমষ্টেক এখন উল্লেখযোগ্য মঞ্চ বুলি মত প্ৰকাশ কৰি কয়, যে বিমষ্টেক অধিক শক্তিশালী হোৱাটো প্ৰয়োজন।

৪। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে প্ৰসিদ্ধ অভিনেতা মনোজকুমাৰৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে।

৫। অসম চৰকাৰে ৰাজ্যখনৰ চিকিৎসালয় আৰু চিকিৎসা মহাবিদ্যালয় হাস্পতালসমূহত দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ লোকসকললৈ উন্নতমানৰ স্বাস্থ্য সেৱা, বিশেষকৈ বিনামূলীয়া ঔষধৰ সুবিধা আগবঢ়োৱাৰ বাবে স্বাস্থ্য বিভাগলৈ ১৯০ কোটি টকা মঞ্জুৰ কৰিছে। ***আৰু***

৬। ভাৰতীয় বক্সাৰ হিতেশে ব্ৰাজিলত অনুষ্ঠিত ২০২৫ বৰ্ষৰ বিশ্বকাপ বক্সিং প্ৰতিযোগিতাৰ ফাইনেলত স্থান লাভ কৰিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংসদৰ উভয় সদনত ৱক্‌ফ সংশোধনী বিধেয়ক আৰু মুছলমান ৱক্‌ফ বাতিলকৰণ বিধেয়ক গৃহীত হোৱাটো আৰ্থ সামাজিক ন্যায় স্বচ্ছতা আৰু সামগ্ৰিক বিকাশৰ ক্ষেত্ৰত চৰকাৰে চলাই অহা অবিৰত প্ৰচেষ্টাৰ দিশৰ পৰা ঐতিহাসিক বুলি মত প্ৰকাশ কৰিছে। সামাজিৰ মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে, এই বিধেয়ক গৃহীত হোৱাৰ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰি নিজৰ নিজৰ মতামত প্ৰকাশ কৰা আৰু বিধেয়ক দুখনক শক্তিশালী স্থিতিত উপনীত কৰোৱা সাংসদসকলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। একেদৰে সংসদীয় সমিতিলৈ গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়োৱা জনসাধাৰণকো তেওঁ ধন্যবাদ জনায়। স্বচ্ছতা আৰু দায়বদ্ধতাৰ অভাৱত দশক দশক ধৰি মুছলমান মহিলা আৰু দৰিদ্ৰ মুছলমান লোকসকলৰ স্বাৰ্থ বিঘ্নিত কৰি অহা ৱক্‌ফ প্ৰক্ৰিয়াত হস্তক্ষেপ কৰি সংসদে গ্ৰহণ কৰা এই বিধেয়কে বিষয়টোলৈ স্বচ্ছতা অনাৰ লগতে জনসাধাৰণৰ অধিকাৰক সুৰক্ষিত কৰিব বুলিও শ্ৰী মোদীয়ে মত প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে দেশৰ প্ৰতিগৰাকী নাগৰিকৰ মৰ্যাদাক অগ্ৰাধিকাৰ প্ৰদান কৰি এখন শক্তিশালী ভাৰতবৰ্ষ গঢ়াৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ কালি সংসদত গৃহীত হয়। ৰাজ্যসভাই প্ৰায় ১২ ঘণ্টা জোৰা আলোচনাৰ অন্তত যোৱানিশা বিধেয়কখনত অনুমোদন জনায়। উচ্চ সদনত ১২৮ গৰাকী সদস্যই সংশোধনী বিধেয়কখনৰ সপক্ষে আৰু ৯৫ গৰাকীয়ে বিপক্ষে ভোটদান কৰে। ইয়াৰ পূৰ্বে লোকসভাতো বিধেয়কখন গৃহীত হয়।

ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ৰ মূল উদ্দেশ্য হৈছে- ঐতিহ্যস্থলীসমূহৰ সুৰক্ষা আৰু সামাজিক কল্যাণ সুনিশ্চিত কৰা। এই বিধেয়কখনৰ জৰিয়তে ৱক্‌ফ পৰিষদৰ সা-সম্পত্তিৰ ব্যৱস্থাপনাৰ দিশটো অধিক স্বচ্ছ কৰি তোলাৰ লগতে  ৱক্‌ফ পৰিষদ আৰু স্থানীয় কৰ্তৃপক্ষসমূহৰ মাজত সমন্বয় গঢ়ি তুলিবলৈ বিচৰা হৈছে। বিধেয়কখনত মুছলমান মহিলা বিশেষকৈ স্বামীহাৰা আৰু বিবাহ বিচ্ছেদিত মহিলাসকলৰ আৰ্থ-সামাজিক স্থিতিৰ উন্নয়নৰ ব্যৱস্থা আছে।

সংসদে কালি মুছলমান ৱক্‌ফ বাতিলকৰণ বিধেয়ক ২০২৪তো অনুমোদন জনায়। এই বিধেয়কখনে ১৯২৩ চনৰ মুছলমান ৱক্‌ফ আইনৰ ঠাই ল'ব।

০০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও সংসদত ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ গৃহীত হোৱাটো ঐতিহাসিক বুলি অভিহিত কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰা এটা বাৰ্তাত শ্ৰী শ্বাহে কয়, যে ইয়াৰ জৰিয়তে অন্যায় আৰু দুৰ্নীতিৰ এছোৱা দীঘলীয়া সময়ৰ অৱসান ঘটাই ন্যায় আৰু সমতাৰ যুগৰ আৰম্ভণি হ'ল। এই ব্যৱস্থাই দেশৰ মুছলমান সম্প্ৰদায়ৰ দৰিদ্ৰ লোকসকলৰ লগতে মহিলা আৰু শিশুসকলক নিশ্চিতভাৱে উপকৃত কৰিব বুলি মত প্ৰকাশ কৰি তেওঁ কয়, যে এতিয়াৰে পৰা ৱক্‌ফ বোৰ্ড আৰু ৱক্‌ফৰ সম্পত্তিসমূহৰ ক্ষেত্ৰত অধিক স্বচ্ছতা আৰু দায়বদ্ধতাৰ ব্যৱস্থা হ'ব।

এই গুৰুত্বপূৰ্ণ বিধায়কখনৰ বাবে তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু সংখ্যালঘূ পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেন ৰিজিজুক অভিনন্দন জনোৱাৰ লগতে বিধেয়কখনৰ প্ৰতি সমৰ্থন আগবঢ়োৱা সকলো দল আৰু সাংসদৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আন্তৰ্জাতিক কল্যাণ ত্বৰান্বিত কৰাৰ হকে বিমষ্টেক এখন উল্লেখযোগ্য মঞ্চ বুলি মত প্ৰকাশ কৰি কয়, যে বিমষ্টেক অধিক শক্তিশালী হোৱাটো প্ৰয়োজন। বেংককত অনুষ্ঠিত ষষ্ঠ বিমষ্টেক শীৰ্ষ সন্মিলনত প্ৰধানমন্ত্ৰীগৰাকীয়ে সহযোগিতাৰ বিভিন্ন দিশ সামৰি ২১ দফীয়া কাৰ্য পৰিকল্পনাৰ প্ৰস্তাৱ আগবঢ়ায়।[ বিমষ্টেকৰ ৰাষ্ট্ৰসমূহৰ মাজত ব্যৱসায় ত্বৰান্বিত হোৱা উচিত বুলি মন্তব্য কৰি শ্ৰী মোদীয়ে বিমষ্টেক চেম্বাৰ অব্ কমাৰ্চ স্থাপন কৰাৰ বিষয়ে ঘোষণা কৰে তথা প্ৰতিবছৰে বিমষ্টেক বাণিজ্য শীৰ্ষ সন্মিলনৰ আয়োজন কৰাৰ বিষয়েও মত প্ৰকাশ কৰে। শ্ৰী মোদীয়ে বিমষ্টেক অঞ্চলত স্থানীয় মুদ্ৰাত বাণিজ্য কৰাত সুফল সন্দৰ্ভত সম্ভাৱনা  মূলক অধ্যয়নতো প্ৰস্তাৱ আগবঢ়ায়।

প্ৰধানমন্ত্ৰীগৰাকীয়ে তথ্য প্ৰযুক্তি খণ্ডৰ ঐশ্বৰ্যশালী সম্ভাৱনা ত্বৰান্বিত কৰিবলৈ আহ্বান জনোৱাৰ লগতে ইয়াৰ জৰিয়তে প্ৰযুক্তিগতভাৱে বিমষ্টেক শক্তিশালী হৈ উঠিব বুলিও মত প্ৰকাশ কৰে।

শেহতীয়াকৈ ম্যানমাৰ আৰু থাইলেণ্ডত হোৱা ভূমিকম্পই দুৰ্যোগ ব্যৱস্থাপনা খণ্ডত একত্ৰিত হৈ কাম কৰাৰ প্ৰয়োজনীয়তাক সূচাই বুলিও শ্ৰী মোদীয়ে মত প্ৰকাশ কৰে। তেওঁ কয়, যে ভাৰতত দুৰ্যোগ ব্যৱস্থাপনাৰ বিমষ্টেক উৎকৰ্ষতা কেন্দ্ৰ স্থাপন কৰা হ'ব। শ্ৰী মোদীয়ে মহাকাশ খণ্ডতো সহযোগিতাৰ পোষকতা কৰাৰ লগতে নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰা সন্দৰ্ভত মত প্ৰকাশ কৰে। সক্ষমতা নিৰ্মাণ ৰূপৰেখাৰ ক্ষেত্ৰত বিমষ্টেক উৎকৃষ্ট উদাহৰণ হৈ উঠিব পাৰে বুলিও তেওঁ মন্তব্য কৰে। বোধী পদক্ষেপৰ অধীনত প্ৰতি বছৰে বিমষ্টেক দেশসমূহৰ পৰা ৩০০ গৰাকী যুৱক-যুৱতীক ভাৰতত প্ৰতিৰক্ষা প্ৰদান কৰা হ'ব বুলি তেওঁ সদৰী কৰে।

এই শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ অৱসৰত শ্ৰী মোদীয়ে বাংলাদেশৰ মূখ্য উপদেষ্টা মহম্মদ ইউনুছৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

০০০০০০০০০

অসম চৰকাৰে ৰাজ্যখনৰ চিকিৎসালয় আৰু চিকিৎসা মহাবিদ্যালয় হাস্পতালসমূহত দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ লোকসকললৈ উন্নতমানৰ স্বাস্থ্য সেৱা, বিশেষকৈ বিনামূলীয়া ঔষধৰ সুবিধা আগবঢ়োৱাৰ বাবে স্বাস্থ্য বিভাগলৈ ১৯০ কোটি টকা মঞ্জুৰ কৰে। জনতাভৱনত আজি অনুষ্ঠিত মন্ত্ৰীসভাৰ এখন বৈঠকৰ বিষয়ে সংবাদ মাধ্যমক জানিবলৈ দি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। তেওঁ লগতে জনোৱা মতে মন্ত্ৰীসভাৰ আজিৰ বৈঠকত ৰাজ্য চৰকাৰৰ কৰ্মচাৰী আৰু পেন্সনভোগীসকলৰ বাবে যোৱা ১ জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ অতিৰিক্ত ২ শতাংশ মৰগীয়া বানচৰ ব্যৱস্থা কৰাৰ সিদ্ধান্ত লোৱা হয়।

তেওঁ লগতে কয়, যে সময়ৰ লগে লগে দুৰ্বল হৈ অহা ৰাজ্যৰ মথাউৰিসমূহৰ সুৰক্ষাৰ বাবে একোটা যুৱ বাহিনী গঠন কৰাৰ সিদ্ধান্ত লোৱা হৈছে। জলসম্পদ বিভাগৰ স্থানীয় অভিযন্তাগৰাকীৰ নিৰীক্ষণৰ অধীনত ১০ৰ পৰা ১৫ জনকৈ যুৱকক লৈ গঠন কৰিবলগীয়া এনে যুৱ বাহিনীসমূহক মথাউৰিবোৰৰ প্ৰতি ৮ৰ পৰা ১২ কিলোমিটাৰ দৈৰ্ঘ্যৰ অংশসমূহৰ সুৰক্ষাৰ দায়িত্ব প্ৰদান কৰাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰে। মথাউৰি কমিটি হিচাপে নামকৰণ কৰিবলগীয়া এই যুৱ বাহিনীসমূহে এপ্ৰিলমাহৰ শেষৰ পৰা অক্টোবৰলৈ মথাউৰিসমূহৰ সংশ্লিষ্ট অঞ্চলটোত চকু ৰাখিব আৰু তেওঁলোকক মথাউৰি নিৰীক্ষণ তথা প্ৰয়োজনীয় তাৎক্ষণিক মেৰামতিৰ বাবে সকলো ধৰণৰ সা-সঁজুলি যোগান ধৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

মন্ত্ৰীসভাৰ আজিৰ বৈঠকত জাগীৰোডত ১৪২ কোটি টকা ব্যয় সাপেক্ষ কৰ্মৰত মহিলাৰ আবাস এটা নিৰ্মাণৰ বাবেও সিদ্ধান্ত গ্ৰহণ কৰা হয়।

০০০০০০০০০

প্ৰবীণ অভিনেতা আৰু পৰিচালক মনোজ কুমাৰৰ আজি পুৱা মুম্বাইত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৭ বছৰ। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰীয়ে নৰেন্দ্ৰ মোদীকে ধৰি দেশৰ বিশিষ্ট ব্যক্তিসকলে প্ৰসিদ্ধ অভিনেতাগৰাকীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে।

উল্লেখযোগ্য যে বলিউদৰ কিংবদন্তি অভিনেতাগৰাকী তেওঁৰ দেশপ্ৰেমমূলক চলচ্চিত্ৰৰ বাবে ভাৰত কুমাৰ নামেৰে জনাজাত আছিল। ভাৰতীয় চিনেমালৈ আগবঢ়োৱা উল্লেখনীয় অৱদানৰ বাবে তেওঁক পদ্মশ্ৰী সন্মান আৰু দাদাচাহেব ফাল্কে বঁটাৰে সন্মানিত কৰা হৈছিল। মনোজ কুমাৰে বলিউদত দেশপ্ৰেমমূলক চলচ্চিত্ৰৰ এটা নতুন ধাৰা সৃষ্টি কৰিছিল আৰু উপকাৰ, পূৰৱ ঔৰ পশ্চিম আৰু ক্ৰান্তিৰ লেখীয়া কালজয়ী কথাছবিৰে দৰ্শকৰ মন জয় কৰিবলৈ

সমৰ্থ হৈছিল। অভিনেতাগৰাকীৰ আন চলচ্চিত্ৰসমূহৰ ভিতৰত পখৰ কে চনম, চৌৰ, সন্ন্যাসী আৰু ৰ'টি কপড়া ঔৰ মকান অন্যতম।

০০০০০০০০০

ভাৰতীয় বক্সাৰ হিতেশ, ব্ৰাজিলত অনুষ্ঠিত ২০২৫ বৰ্ষৰ বিশ্বকাপ বক্সিং প্ৰতিযোগিতাৰ ফাইনেলত স্থান লাভ কৰা প্ৰথমগৰাকী ভাৰতীয় খেলুৱৈ হিচাপে বিবেচিত হৈছে। প্ৰতিযোগিতাৰ পুৰুষৰ ৭০ কিলোগ্ৰাম শাখাত তেওঁ ফ্ৰান্সৰ মাকান ট্ৰাওৰেক ৫-০ ব্যৱধানত পৰাস্ত কৰে। এই প্ৰতিযোগিতাৰ ৫০ কিলোগ্ৰাম শাখাত যদুমণি সিং, ৬০ কিলোগ্ৰাম শাখাত শচীন ছিৱাচ আৰু ৯০ কিলোগ্ৰাম শাখাত বিশালে ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে।০

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ, মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

যোৱানিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে ছান ৰাইজাৰ্ছ হায়দৰাবাদক ৮০ ৰানত পৰাস্ত কৰে। ছানৰাইজাৰ্ছ হায়দৰাবাদে ২০১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৬ অভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১২০ ৰানহে কৰিবলৈ সমৰ্থ হয়।

০০০০০০০০

সমাপ্ত